# REGIONAL NEWS UNIT
# AKASHVANI :: GUWAHATI

0000000000

**Date : 04-06-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

**::::::::::::::::::::::::::::::**

যোৱা দুদিন ধৰি ৰাজ্যত বতৰ ফৰকাল হৈছে যদিও ২১ খন জিলাৰ ৬ লাখ ১৭ হাজাৰৰো অধিক লোক এতিয়াও বানৰ কবলত আছে। সাম্প্ৰতিক বানত ৰাজ্যখনৰ এহেজাৰ ৪৮৯ খন গাঁৱৰ ১৪ হাজাৰ ৭৩৯ হেক্টৰৰো অধিক কৃষিভূমি প্লাৱিত হৈছে। জিলা প্ৰশাসনসমূহে স্থাপন কৰা ২২৩ টা আশ্ৰয় শিবিৰত ৩৯ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে। এই বানত ৰাজ্যখনত বৰ্তমানলৈ মুঠ ১৪ গৰাকী লোকৰ মৃত্যু হৈছে। এই সময়ছোৱাত ২ লাখৰো অধিক পশুধনৰো ক্ষতি হৈছে। এছ ডি আৰ এফ আৰু এন ডি আৰ এফে কেইবাখনো জিলাত উদ্ধাৰ অভিযান চলাই আছে।

০০০০

অসম মন্ত্ৰীসভাই আজি ডিমা হাচাও জিলাৰ পাঁচটা পথ ৰাষ্ট্ৰীয় ঘাইপথলৈ উন্নীত কৰাৰ সিদ্ধান্ত লৈছে। ১৭৭ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই পাঁচটা পথক ৰাষ্ট্ৰীয় ঘাইপথলৈ উন্নীত কৰাৰ কাম বান পৰিস্থিতি সুস্থিৰ হোৱাৰ পাছতে আৰম্ভ কৰা হ'ব। আজি দিছপুৰ অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে প্ৰকাশ কৰে। ইয়াৰ বাবে ৩ হাজাৰ ৮৭৫ কোটি টকাৰ অনুমোদন দিয়া হৈছে আৰু ৮০ শতাংশ ব্যয় কেন্দ্ৰীয় চৰকাৰে বহন কৰিব। বৈঠকত কনকলতা বিশ্ববিদ্যালয়ৰ ৪০০ কোটি টকা ব্যয়ৰ অনুমোদন জনোৱা হৈছে। বিশ্ববিদ্যালয়ৰ নিৰ্মাণৰ সময়ত ভূমি অধিগ্ৰহণ কৰা পৰিয়ালসমূহৰ সদস্যক বিশ্ববিদ্যালয়ৰ চৌহদত স্থায়ী সংস্থাপন দিয়া হ'ব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই উল্লেখ কৰে। এই বিশ্ববিদ্যালয়খনত কৃত্ৰিম বুদ্ধিমত্তা, আধুনিক সময়ৰ উদ্যোগ ক্ষেত্ৰকে ধৰি বিভিন্ন অত্যাধুনিক বিষয়ত পাঠদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। আই আই টি গুৱাহাটী আৰু জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ কেইবাগৰাকীও বিশেষজ্ঞ অধ্যাপকক এই বিশ্ববিদ্যালয়খনৰ পাঠ্যক্ৰম যুগুত কৰাৰ দায়িত্ব দিয়া হৈছে। বিশ্ববিদ্যালয়খনত সাধাৰণ পাঠ্যক্ৰম থাকিব যদিও প্ৰযুক্তি ক্ষেত্ৰখনত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। অসমৰ ৩০০টা কৃষক উৎপাদক সংস্থা আৰু কৃষক উৎপাদক কোম্পানীক ১৫ লাখ টকাকৈ আগবঢ়োৱাৰ বাবে মন্ত্ৰীসভাই সিদ্ধান্ত লৈছে। মুখ্যমন্ত্ৰী উৎকৰ্ষ যোজনা নামেৰে এই আঁচনি ৰূপায়ণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

০০০০

মৰিগাওঁ জিলা প্ৰশাসনে জিলাখনৰ মায়ং উন্নয়ন খণ্ডৰ অন্তৰ্গত ধৰমতুলৰ দাপনীবড়ী গাঁৱক আজি আফ্ৰিকান ছোৱাইন ফিভাৰৰ অভিকেন্দ্ৰ হিচাপে ঘোষণা কৰিছে। সেই অনুসৰি গাঁৱখনৰ এক কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰৰ গাঁৱসমূহক সংক্ৰমিত অঞ্চল আৰু দহ কিলোমিটাৰ ব্যাসাৰ্ধৰ গাঁৱসমূহক নিৰীক্ষণ অঞ্চল হিচাপে গণ্য কৰা হ'ব। সেই অঞ্চলসমূহত গাহৰী বা গাহৰীৰ মাংসৰ পৰা প্ৰস্তুত কৰা খাদ্য সামগ্ৰী অনা নিয়া কৰিব নোৱাৰিব। কোনো সামগ্ৰী বা জীৱ-জন্তু সংক্ৰমিত অঞ্চললৈ কঢ়িয়াই নিব নোৱাৰিব। চিকিৎসকৰ প্ৰমাণপত্ৰ সাপেক্ষেহে সংক্ৰমিত অঞ্চলৰ মাজেৰে পথ বা ৰে'লপথেৰে জীৱ-জন্তু বিশেষকৈ গাহৰী কঢ়িওৱাৰ অনুমতি পাব। তৎকালীনভাৱে কাৰ্যকৰী হোৱাকৈ জিলা প্ৰশাসনে এই অধিসুচনা জাৰি কৰিছে।

০০০০

বিশ্ব পৰিৱেশ দিৱস উপলক্ষে আকাশবাণী গুৱাহাটীৰ উদ্যোগত কাইলৈ পি এম শ্ৰী দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত বিদ্যালয়খনৰ প্ৰাংগণত দিনৰ ১১ বজাত গছপুলি ৰোপণ আৰু পৰিৱেশ সজাগতা সম্পৰ্কীয় বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই উপলক্ষে বিদ্যালয়খনৰ পঞ্চমৰ পৰা অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত পৰিৱেশ সজাগতা আৰু প্লাষ্টিক প্ৰদূষণ ৰোধ সম্পৰ্কে ছবি অঁকা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। লেখক, কেৰিয়াৰ পৰামৰ্শদাতা শৈলেন বৈশ্যৰ পৰিচালনাত নৱমৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত পৰিৱেশ সম্পৰ্কীয় কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত বিশিষ্ট পৰিৱেশ কৰ্মী, অসম গৌৰৱ সন্মানেৰে বিভূষিত নেচাৰ্ছ বেকনৰ সঞ্চালক সৌম্যদীপ দত্তই বিশ্বজুৰি প্লাষ্টিক প্ৰদূষণ ৰোধ আৰু পৰিৱেশ সজাগতা সন্দৰ্ভত ভাষণ দিব। বিদ্যালয়খনৰ জীৱ বিজ্ঞানৰ স্নাতকোত্তৰ শিক্ষয়িত্ৰী চন্দনা কলিতাই প্লাষ্টিক প্ৰদূষণ ৰোধ বিষয়ক ভাষণ আগবঢ়াব। আকাশবাণী গুৱাহাটীয়ে কাইলৈ দিনৰ ১১ বাজি ১৫ মিনিটৰ পৰা এই অনুষ্ঠান পোনপটীয়াকৈ প্ৰচাৰ কৰিব।

০০০০

কাইলৈ বিশ্ব পৰিবেশ দিৱস উপলক্ষে বৃহত্তৰ তিনিচুকীয়া সাংবাদিক সন্থা, জাৰ্ণালিষ্ট ইউনিয়ন অব আচামৰ তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত আৰু তিনিচুকীয়া আৰক্ষীৰ সহযোগত তিনিচুকীয়া নগৰৰ প্ৰতিটো চৰকাৰী কাৰ্যালয়, মহাবিদ্যালয় চৌহদত গছপুলি ৰোপণ কাৰ্যসূচী গ্ৰহণ কৰিছে। পুৱাৰ ভাগত জিলা আয়ুক্তৰ কাৰ্যালয় চৌহদত গছপুলি ৰোপণৰ শুভাৰম্ভ কৰা হ'ব। জিলাখনৰ বাৰেকুৰিত বাৰেকুৰি উন্নয়ন সমিতিয়ে তিনিচুকীয়া জিলা প্ৰশাসনৰ তত্বাৱধানত গছপুলি ৰোপণৰ লগতে পৰিবেশ সজাগতা সন্দৰ্ভত সভাৰ আয়োজন কৰিব বুলি আমাৰ তিনিচুকীয়াৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০

অসম সাহিত্য সভাৰ উদ্যোগত সদৌ অসম দেৱ দামোদৰ সংঘৰ সহযোগত কথা সাহিত্যৰ জনক ভট্টদেৱৰ সোঁৱৰণত আজি ৰাধা গোবিন্দ বৰুৱা প্ৰেক্ষাগৃহত কথা সাহিত্য বঁটা প্ৰদান অনুষ্ঠানৰ আয়োজন কৰা হয়। সাহিত্যাচাৰ্য্য ড০ বসন্ত কুমাৰ ভট্টাচাৰ্য্যক কথা সাহিত্য বঁটা ২০২৫ প্ৰদান কৰা হয়। শাৰিৰীক অসুস্থতাৰ বাবে ড০ বসন্ত কুমাৰ ভট্টাচাৰ্য্যই অনুষ্ঠানত উপস্থিত থাকিব নোৱাৰিলে যদিও তেওঁৰ হৈ পৰিয়ালৰ লোকে এই সন্মানীয় বঁটা গ্ৰহণ কৰে। বঁটাত এখন চেলেং, অংগবস্ত্ৰ, শৰাই, গ্ৰন্থৰ টোপোলা আৰু এখন প্ৰশস্তিপত্ৰ আছে।

০০০০

হোজাই জিলাৰ হোজাই আৰু পশ্চিম কাৰ্বি আংলং সংযোগী পথছোৱাৰ নিৰ্মাণৰ কাম লেহেমীয়া গতিত চলাৰ বাবে অঞ্চলটোৰ ৰাইজে আজি প্ৰতিবাদ সাব্যস্ত কৰে। ৰাইজৰ প্ৰতিবাদৰ ফলত অসমমালা আঁচনিৰ অধীনত নিৰ্মীয়মান এই পথছোৱাত আজি যান-বাহনৰ চলাচলত ব্যাঘাত জন্মে। অৱশ্যে পৰৱৰ্তী সময়ত অঞ্চলটোত হোজাই আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে।

০০০০

সমাপ্ত